# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI

0000000000

**Date :** 16-09-2025
**Time :** 21-25  Hrs

**ASSAMESE NIGHT BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

ৰাজ্যত এইবাৰৰ বানত ছখন জিলাৰ ২২ হাজাৰৰো অধিক লোক প্ৰভাৱিত হৈছে। বানৰ ফলত ৪ হেজাৰ হেক্টৰৰো অধিক কৃষিভূমিৰ শস্য নষ্ট হৈছে। দিখৌ, দিচাং, ধনশিৰি, বৰাক আৰু কুছিয়াৰাকে ধৰি ৰাজ্যখনৰ মাজেৰে বৈ যোৱা কেইবাখনো নৈৰ জলস্তৰ বিপদসীমাৰ ওপৰেৰে বৈ আছে। ৰাজ্যিক ব্যৱস্থাপনা প্ৰাধিকৰণে প্ৰকাশ কৰা মতে, বিভিন্ন স্থানত স্থাপন কৰা ১১৩ টা আশ্ৰয় শিবিৰ আৰু সাহায্য বিতৰণ কেন্দ্ৰত প্ৰায় ৭ হাজাৰ লোকে আশ্ৰয় লৈ আছে। চৰকাৰে উদ্ধাৰ অভিযানৰ কামত ৰাজ্যিক দুৰ্যোগ সহাৰি বাহিনীৰ দল নিয়োগ কৰিছে।

চুবুৰীয়া ৰাজ্য নাগালেণ্ডত হোৱা ধাৰাসাৰ বৰষুণ আৰু নীপকোৰ দৈয়াং জলবিদ্যুৎ প্ৰকল্পৰ পানী এৰি দিয়াৰ ফলত গোলাঘাট জিলাৰ বিভিন্ন অঞ্চলত বানত বুৰ গৈছে। ধনশিৰি আৰু দৈয়াং নৈৰ লগতে উপনৈসমূহৰ জলস্তৰ বৃদ্ধি পোৱাৰ ফলত জিলাখনৰ বিভিন্ন ঠাই বানৰ কৱলত পৰিছে। জিলাখনত যোৱা ২৪ ঘণ্টাত বানৰ ফলত দুজন লোকে প্ৰাণ হেৰুৱাইছে। বান পীড়িত সকলৰ বাবে জিলা প্ৰশাসনে ১৫টা আশ্ৰয় শিবিৰ মুকলি কৰিছে।

আজি জিলা আয়ুক্ত পুলক মহন্তই সীমান্ত দণ্ডাধীশৰ সৈতে গোলাঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত ইটানগৰটোপ অঞ্চলত বান পৰিস্থিতিৰ বুজ লয়। বান পীড়িত ৰাইজৰ অৱস্থাৰ বুজ লৈ আয়ুক্তগৰাকীয়ে এন ডি আৰ এফ আৰু  এছ্ ডি আৰ এফৰ উদ্ধাৰ অভিযান পৰিদৰ্শন কৰে। জিলাখনত আটাইকেইটা ৰাজহ চক্ৰতে চক্ৰ বিষয়াসকলেও আশ্ৰয় শিবিৰসমূহত উপস্থিত হৈ বান ক্ষতিগ্ৰস্ত ৰাইজৰ অভাৱ অভিযোগৰ বুজ লয়।

ইফালে ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰ পাৰতো চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ বমদিলা আৰু টাৱাং জিলাত হোৱা ধাৰাসাৰ বৰষুণৰ ফলত পাহাৰীয়া নৈসমূহৰ জলস্তৰ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত ভৈয়াম অঞ্চলত বানৰ সৃষ্টি হৈছে। বিশ্বনাথৰ অসম-অৰুণাচল সীমান্তৱৰ্তী কেইবাখনো গাঁও বাঢ়নি পানীয়ে বুৰাই পেলাইছে। একেদৰে গহপুৰ সমজিলাৰ মাজেৰে বৈ যোৱা ব্ৰহ্মাজান আৰু ছত্ৰং নৈৰ বাঢ়নি পানীয়ে কালি বিস্তীৰ্ণ অঞ্চল বুৰাই পেলায়।  শোণিতপুৰ জিলাৰ নদুৱাৰ বিধানসভা সমষ্টিৰ চাৰিদুৱাৰৰ অন্তৰ্গত বাকোলা, বাকোলাপথাৰ, আমলগা, ভালুকমাৰী, বুঢ়াগাঁও, দলংবস্তিকে ধৰি কেইবাটাও অঞ্চল বানৰ কবলত পৰিছে। প্ৰথমবাৰৰ বাবে গামানি ছপানলা গাঁৱৰ বিস্তীৰ্ণ অঞ্চল বানৰ কবলত পৰিছে। আজি বিধায়ক পদ্ম হাজৰিকাই বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়।

চতিয়াৰ বিধায়কগৰাকীয়ে বান পৰিস্থিতি সন্দৰ্ভত এইদৰে কয় ঃ

**বাইট ঃ বিধায়ক পদ্ম হাজৰিকা**

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে পৰৱৰ্তী কেইটামান দিনত ৰাজ্যখনৰ অধিকাংশ ঠাইত বিজুলী ধেৰেকনীৰে মজলীয়াৰ পৰা ধাৰাষাৰ বৰষুণ হ'ব বুলি আগলি বতৰা দিছে। ৰাজ্য চৰকাৰে নাগৰিকসকলক অহা ২-৩ দিনলৈ সতৰ্ক হৈ থাকিবলৈ আৰু প্ৰয়োজনীয় সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

ooooo

ডিব্ৰুগড় বিশ্ববিদ্যালয় শিক্ষক সংস্থাই আজি এইবছৰৰ প্ৰথমটো তথা সামগ্ৰিকভাৱে পঞ্চমটো শৈক্ষিক বক্তৃতাৰ আয়োজন কৰে। অনুষ্ঠানত অসম দক্ষতা বিশ্ববিদ্যালয়ৰ প্ৰায়োগিক ব্যৱস্থাপনা বিভাগৰ মুৰব্বী তথা তেজপুৰ বিশ্ববিদ্যালয় স্কুল অৱ মেনেজমেণ্ট চায়েন্সৰ পূৰ্বৰ গুৰু আৰু আই কিউ এ চিৰ সঞ্চালক অধ্যাপক চন্দনা গোস্বামীয়ে শৈক্ষিক বক্তৃতা আগবঢ়ায়। **জীৱন ব্যৱস্থাপনা নিজক বুজাৰ পৰা আৰম্ভণি** বিষয়ক এই ব ক্তৃতাত আত্ম চেতনাৰ লগতে মানসিক আৰু অনুভূতিজনিত সুস্থতাৰ ওপৰত গুৰুত্ব দিয়া হয়।

ooooo

দৰং জিলাৰ দিপিলাৰ ঐতিহ্যমণ্ডিত খটৰা সত্ৰত আজিৰে পৰা চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে পাচেতি উৎসৱ অনুষ্ঠিত হৈছে। ১৫৬৮ চনত মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ পৰম শিষ্য লেচাকণীয়া গোবিন্দ আতাই প্ৰতিষ্ঠা কৰা সত্ৰখনত লোকবিশ্বাস আৰু পৰম্পৰা অনুসৰি ভগৱান শ্ৰীকৃষ্ণৰ জন্ম বৃত্তান্তৰ সৈতে জড়িত এই উৎসৱ পালন কৰা হয়। আজি পুৱা ৫ বজাত প্ৰাতঃ প্ৰসংগৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়। এই উৎসৱ পূৰ্বে সত্ৰৰ চাৰিবেৰৰ মাজতে সীমাবদ্ধ আছিল যদিও পাছলৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে পাচেতি উৎসৱ পালন কৰিবলৈ লোৱা হয়। উৎসৱৰ সৈতে সংগতি ৰাখি দধিমথন কৃষ্টি প্ৰদৰ্শন, ভাগৱত পাঠ, সত্ৰীয়া সংস্কৃতি প্ৰদৰ্শন, অংকীয়া ভাওনা, শ্ৰীকৃষ্ণৰ ৰূপসজ্জা, দিহানাম, বাণিজ্যিক মেলা আদিৰ আয়োজন কৰা হৈছে। এই উৎসৱৰ বাণিজ্যিক মেলাত বিভিন্ন ফলৰ গছপুলিৰ যথেষ্ট চাহিদা দেখা যায়। এই মেলাত ক্ৰয় কৰা পুলিৰে ভৱিষ্যতে অধিক উৎপাদন দিয়ে বুলি বিশ্বাস প্ৰচলিত আছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লোকে এই পাচেতি উৎসৱত অংশ লৈছে বুলি আমাৰ সংবাদদাতাই জনাইছে।

ooooo

ঃঃ সমাপ্ত ঃঃ